# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-SEP-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

ৰাজ্যৰ সংগীত ক্ষেত্ৰত কাহানিও পূৰাব নোৱোৰা শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে আজিও অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা নিবেদন কৰে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে। আজি পুৱাৰে পৰা ষ্টেডিয়ামত শিল্পীগৰাকীক অন্তিমবাৰৰ বাবে দৰ্শন কৰিবলৈ বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজিও ষ্টেডিয়াম খোলা থাকিব। জুবিন গাৰ্গৰ মৃত্যুত ঘোষণা কৰা ৰাজ্যিক শোক কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে। কাইলৈ যোৰাবাটৰ সমীপৰ কমাৰকুছিত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰি কয়, যে এই কাৰ্যসূচীত কেন্দ্ৰীয় চৰকাৰ আৰু বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। সুকলমে এই কাৰ্য সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। কাইলৈ সৰুসজাই ষ্টেডিয়ামৰ পৰা অন্ত্যেষ্টিক্ৰিয়াৰ স্থানলৈ শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ লৈ যোৱা সময়ৰে পৰা শেষকৃত্য সম্পন্ন হোৱালৈ ভিডিঅ'গ্ৰাফী কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কাইলৈ শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ২ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ ৰখা হ'ব আৰু আৰক্ষীয়ে আইন শৃংখলা ৰক্ষাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব। তদুপৰি জুবিন গাৰ্গৰ পৰিয়াল সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সন্মানাৰ্থে কাইলৈ অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকিব। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহ বন্ধ থাকিব যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে আজি কমাৰকুছিত জুবিন গাৰ্গৰ শেষকৃত্য স্থান পৰিদৰ্শন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সেই স্থান পৰিদৰ্শনৰ পাছত শিল্পীগৰাকীৰ সমাধিস্থলী বিশ্বমানৰ আৰু সৰ্বোৎত্তম ৰূপত নিৰ্মাণ কৰাৰ বাবে চৰকাৰক আহ্বান জনায়।

অসম জাতীয়তাবাদী ছাত্ৰ পৰিষদৰ এটা সজাতি দলে আজি শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰে। তেওঁলোকে ৰাইজৰ সুবিধা হোৱাকৈ সেই স্থান উপযোগী কৰি তুলিবলৈ আহ্বান জনায়।

ইপিনে আজিও জুবিন গাৰ্গক দেশ-বিদেশৰ বিভিন্ন সন্মানীয় ব্যক্তিয়ে আহি সৰুসজাই ষ্টেডিয়ামত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুকৰ বিশেষ প্ৰতিনিধিয়ে আজি শিল্পীগৰাকীক অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অৰুণাচল প্ৰদেশৰ ২৪০ মেগাৱাট শক্তিসম্পন্ন হেঅ' জলবিদ্যুৎ প্ৰকল্প আৰু ১৮৬ মেগাৱাট শক্তিসম্পন্ন টাটো জলবিদ্যুৎ প্ৰকল্পৰ প্ৰথমটো গোটৰ আধাৰশিলা স্থাপন কৰে। ৰাষ্ট্ৰীয় তাপবিদ্যুৎ নিগমৰ অধীনত ৩ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ এই দুয়োটা প্ৰকল্প উত্তৰ পূৰ বিদ্যুৎ শক্তি নিগম চমুকৈ

নিপকো আৰু অৰুণাচল প্ৰদেশ চৰকাৰৰ যৌথ উদ্যোগত নিৰ্মাণ কৰা হ'ব। উল্লেখযোগ্য যে ৰাজ্যখনৰ চি অ'মি জিলাৰ চিঅ'মত নিৰ্মাণ কৰিবলগীয়া হেঅ' জলবিদ্যুৎ প্ৰকল্পত ৮০ মেগাৱাটকৈ শক্তিৰ ৩ টা উৎপাদন গোট থাকিব। টাটো জলবিদ্যুৎ প্ৰকল্পত ৩ টাকৈ ৬২ মেগাৱাট শক্তি উৎপাদনক্ষম গোট থাকিব। এই উপলক্ষে দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰত এখন বিকশিত ৰাষ্ট্ৰত পৰিণত হোৱাৰ ক্ষেত্ৰত সকলো ৰাজ্যৰ অৰিহণা গুৰুত্বপূৰ্ণ হ'ব। শক্তিখণ্ডত ২০৩০ চনৰ ভিতৰত ভাৰতে ৫০০ গিগাৱাট শক্তি উৎপাদনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা লেখতলবলগীয়া হব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। আজিৰ এই অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল জেনেৰেল কে টি পাৰনায়ক, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

ইয়াৰ পাছত তেওঁ ইটানগৰত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে আৰু ৰাজ্যখনৰ স্থানীয় কৰদাতা, ব্যৱসায়ী আৰু উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে।

অৰুণাচল প্ৰদেশৰ পৰা প্ৰধানমন্ত্ৰী আজি ত্ৰিপুৰালৈ যায় আৰু ত্ৰিপুৰাত **প্ৰাসাদ** আঁচনিৰ অধীনত মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰৰ চৌহদত নতুনকৈ গঢ়ি তোলা বুনিয়াদী সা-সুবিধা আৰু সৌন্দৰ্যবৰ্ধন কাৰ্য মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰত পূজা আগবঢ়োৱাৰ লগতে মন্দিৰ চৌহদত আয়োজন কৰা এখন প্ৰদৰ্শনীও পৰিদৰ্শন কৰে।

০০০০০

শিৰসাগৰ জিলাৰ ডিমৌৰ এটা বৈদ্যুতিন মাধ্যমৰ সাংবাদিক ইফতিকাৰ বিতু ৰহমানৰ কালি সন্ধিয়া এটা পথ দুৰ্ঘটনাত মৃত্যু হয়। ডিমৌ প্ৰেছ ক্লাৱত অনুষ্ঠিত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁৰ দিহাজানস্থিত বাসগৃহলৈ এখন স্কুটিৰে গৈ থকা অৱস্থাত ইফতিকাৰ ৰহমান দুৰ্ঘটনাত পতিত হয়। সাংবাদিকগৰাকী প্ৰায় ডেৰ ঘণ্টা ধৰি পথত পৰি থকাৰ পাছত কেইজনমান স্থানীয় যুৱকে তেওঁক উদ্ধাৰ কৰে আৰু আৰক্ষীৰ সহযোগত চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসালয়ত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত সাংবাদিকগৰাকীৰ বয়স হৈছিল ৪৬ বছৰ।

০০০০০

সমাপ্ত